**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-FEB-2026
**Time :** 1715 Hrs

***Assamese Evening Bulletin***
***Headlines***

-------------------------------

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতু মুকলি।

২। গহপুৰৰ পৰা নুমলীগড়লৈ ব্ৰহ্মপুত্ৰৰ তলেৰে দ্বৈত সুৰংগ নিৰ্মাণ প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

৩। পৰহিলৈৰ পৰা অসম বিধানসভাৰ চমু বাজেট অধিবেশন।

**আৰু**

৪। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত ইংলেণ্ডক জয়ৰ বাবে স্কটলেণ্ডৰ ১৫৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। এই উপলক্ষে লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰে আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ খানাপাৰাত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে, দিনজোৰা ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী মোদীয়ে ডিব্ৰুগড় জিলাৰ মৰাণৰ ঘাইপথত জৰুৰীকালীন অৱস্থাত বিমান উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা অৱতৰণক্ষেত্ৰ মুকলি কৰে। শ্ৰীমোদী আজি পুৱা এই অৱতৰণ ক্ষেত্ৰত অৱতৰণ কৰে। তেওঁ লগতে ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানৰ অৱতৰণ আৰু উৰণ কৌশল প্ৰত্যক্ষ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অৱতৰণ ক্ষেত্ৰ উত্তৰ-পূবৰ প্ৰথমখন জৰুৰীকালীন ক্ষেত্ৰ। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গহপুৰৰ পৰা ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নুমলীগড়লৈ ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ সুবিধাযুক্ত দ্বৈত সুৰংগ নিৰ্মাণ প্ৰকল্পত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে এই মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰে।

প্ৰকল্পৰ বাবে ১৮ হাজাৰ ৬৬২ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। মুঠ প্ৰকল্পৰ দৈৰ্ঘ্য হ'ব ৩৭ দশমিক ৭ কিলোমিটাৰ। ইয়াৰে ভিতৰত ১৫ দশমিক ৭-৯ কিলোমিটাৰ পথ ব্ৰহ্মপুত্ৰ নদীৰ তলত থাকিব। উল্লেখযোগ্য যে, এয়া হ'ব দেশৰ প্ৰথমটো পানীৰ তলৰ পথ আৰু ৰে'লৰ সুৰংগ। বৰ্তমান ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নুমলীগড় আৰু ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ গহপুৰৰ মাজৰ দূৰত্ব  প্ৰায় ২৪০ কিলোমিটাৰ। তদুপৰি ৫২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিলঘাটৰ ওচৰৰ কলিয়াভোমোৰা দলঙৰ পৰা নুমলীগড়, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বিশ্বনাথ চাৰিআলি চহৰৰ মাজেৰে যাবলৈ ছঘণ্টা সময় লাগে। এনে প্ৰত্যাহ্বানসমূহলৈ লক্ষ্য ৰাখি এই সুৰংগ পথ প্ৰকল্পটোত গহপুৰৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নুমলীগড়লৈ এটা অংশ ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ চাৰিলেন প্ৰৱেশ নিয়ন্ত্ৰিত গ্ৰীণফিল্ড সংযোগ হিচাপে গঢ়ি তোলা হ'ব। এই প্ৰকল্পৰ দ্বাৰা অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহো উপকৃত হ'ব। তদুপৰি  ইয়াৰ ফলত যাত্ৰীৰ পৰিবহণ ব্যয় আৰু সময়ো ৰাহি হ'ব। এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ বৃদ্ধি পোৱাৰ উপৰি অঞ্চলটোৰ সামগ্ৰিক বিকাশো ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত প্ৰকাশ কৰে। দলৰ বুথ বিজয় সংকল্প সভাত ভাষণ দি প্ৰদানমন্ত্ৰীয়ে কয় যে বিগত ১১ বছৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছৰ শাসন কালত অঞ্চলটোৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছে অসমক হিংসাৰ দিশে ঠেলি দিয়া বুলি আৰু তেওঁলোকৰ শাসন কালত অঞ্চলটোত অস্থিৰতা সৃষ্টিত অৰিহনা যোগোৱা বুলি অভিযোগ তোলে। শ্ৰীমোদীয়ে কয় যে যোৱা ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি অধিক টকা আবণ্টন কৰা হৈছে আৰু অঞ্চলটোত এই সময়ছোৱাত আন্তঃগাণথনি খণ্ডত অভূতপূৰ্ব উন্নয়ন পৰিললক্ষিত হৈছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসন কালত অসম দেশৰ উন্নয়নৰ চালিকাশক্তি হিচাপে পৰিগণিত হোৱা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

বাইট

প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে অঞ্চলটোত যোগাযোগ আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰ লগতে যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টিৰ হকে কাম কৰি আছে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে অভিলেখ পৰিমাণৰ ৪৯ হাজাৰ ৭২৫ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। তেওঁ লগতে অসমত নদী পৰ্যটন আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা হ'ব বুলি মন্তব্য কৰে।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎগ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আজি উত্তৰ পূবৰ প্ৰথম আৰু দেশৰ পঞ্চমটো ডাটা চেণ্টাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। এই ডাটা চেণ্টাৰত দেশৰ সকলো দৰকাৰী ডাটা সুৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। ৩ বিঘা ভূমিত নিৰ্মাণ হোৱা এই ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰটোত আজিৰ পৰা সকলো দৰকাৰী তথ্য জনসাধাৰণে লাভ কৰিব পাৰিব।

০০০০০০

কাছাৰ জিলাৰ চৈয়দপুৰ অঞ্চলৰ শিলচৰ-আইজল ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত ২০ জন ব্যক্তি গুৰুতৰভাৱে আহত হয়। ভাগা বজাৰ অভিমুখে গৈ থকা এখন ট্ৰেভেলাৰ বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথত বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক শিলচৰ মেডিকেল কলেজ হস্পিতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০

শ্ৰীভূমি জিলাৰ ভাৰপ্ৰাপ্ত শিশু সুৰক্ষা অধিকাৰীয়ে জিলাখনৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলক ২০২৬ চনৰ দুল স্কুল স্কলাৰশ্বিপ পৰীক্ষাৰ বাবে নাম পঞ্জীয়ন কৰাবলৈ আহ্বান জনাইছে। ছাত্ৰ-ছাত্ৰীসকলে www.doonschool.com/dsse ৱেবচাইটযোগে নিজৰ নাম পঞ্জীয়ন কৰাব পাৰিব। উল্লেখযোগ্য যে, এই বৃত্তি পৰীক্ষাৰ জৰিয়তে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বৃত্তিৰ সহায়ত এই বিদ্যালয়ত শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰে।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আয়াৰলেণ্ডে ওমানক ৯৬ ৰানত পৰাস্ত কৰে। খেলখনত ওমানে ২৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক লৰ্কান টাকাৰ্ছৰ অপৰাজিত ৯৪ ৰানৰ সহায়ত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত সম্প্ৰতি কলকাতাত অনুষ্ঠিত গ্ৰুপ-চিৰ এখনত খেলত ইংলেণ্ডক জয়ৰ বাবে স্কটলেণ্ডক ১৫৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত ইংলেণ্ড টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ৪ অভাৰত ৪টা উইকেট হেৰুৱাই ২১ ৰাণ সংগ্ৰহ কৰিছে। সন্ধিয়া ৭ বজাত আহমেদাবাদত হ'বলগীয়া গ্ৰুপ ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০

**সমাপ্ত**